দীনাৰ যিটো তুমি আল্লাহৰ পথত ব্যয় কৰিছা, দীনাৰ যিটো তুমি দাস মুক্ত কৰিবলৈ ব্যয় কৰিছা, আৰু সেই দীনাৰ যিটো তুমি ফকীৰ মিছকিনক দান কৰিছা, লগতে সেই দীনাৰ যিটো তুমি তোমাৰ পৰিয়ালৰ ওপৰত ব্যয় কৰিছা, এইবোৰৰ মাজত আটাইতকৈ বেছি ছোৱাব হৈছে সেইটোত, যিটো তুমি তোমাৰ পৰিয়ালৰ ওপৰত ব্যয় কৰিছা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "দীনাৰ যিটো তুমি আল্লাহৰ পথত ব্যয় কৰিছা,
দীনাৰ যিটো তুমি দাস মুক্ত কৰিবলৈ ব্যয় কৰিছা, আৰু সেই দীনাৰ যিটো তুমি ফকীৰ
মিছকিনক দান কৰিছা, লগতে সেই দীনাৰ যিটো তুমি তোমাৰ পৰিয়ালৰ ওপৰত ব্যয় কৰিছা,
এইবোৰৰ মাজত আটাইতকৈ বেছি ছোৱাব হৈছে সেইটোত, যিটো তুমি তোমাৰ পৰিয়ালৰ ওপৰত
ব্যয় কৰিছা।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত ব্যয়ৰ কেইটামান শিতান উল্লেখ কৰি কৈছে যে, যিটো দীনাৰ তুমি আল্লাহৰ পথত জিহাদৰ বাবে ব্যয় কৰিছা, এইদৰে যিটো দীনাৰ তুমি দাস মুক্ত কৰিবলৈ ব্যয় কৰিছা, আৰু যিটো দীনাৰ তুমি অভাৱী মিছকিনক দান কৰিছা, আৰু যিটো দীনাৰ তুমি নিজৰ পৰিয়ালবৰ্গ তথা সন্তান-সন্ততিৰ ওপৰত ব্যয় কৰিছা, ইয়াৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, এই সকলোবোৰ শিতানৰ মাজত আল্লাহৰ ওচৰত আটাইতকৈ বেছি ছোৱাব হৈছে সেইটো ব্যয়ৰ যিটো ব্যয় তুমি তোমাৰ পৰিয়ালবৰ্গ আৰু সন্তান-সন্ততিৰ ওপৰত কৰিছা, আৰু যিটো তুমি তোমাৰ প্ৰয়োজন পূৰণ কৰিবলৈ কৰিছা।

http://www.sunnah.global/hadeeth/as/show/5813